RNI REG

Portal

e-mail

# অসম আদিত্য

৮ শাওণ, ১৯৪৮ শক ■ শনিবাৰ, ২৫ জুলাই, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, July 25, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা

## কানৈ কলেজত বৰগীত, লোকগীত-সত্ৰীয়া নৃত্যৰ শিবিৰ

ডিব্ৰুগড়, ২৪ জুলাই ঃ সদৌ অসম শিল্পী কাননৰ উদ্যোগত অসম সাহিত্য সভা কানৈ মহাবিদ্যালয় শাখা আৰু অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ সহযোগত বৰগীত, লোকগীত আৰু সত্ৰীয়া নৃত্যৰ পাঁচদিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। সামৰণী অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া মুখ্য অতিথিৰূপে উপস্থিত থাকি কয় যে— 'অসমীয়া জাতিৰ সাংস্কৃতিক জীৱন ৰেখা হৈছে বৰগীত, লোকগীত আৰু সত্ৰীয়া সংগীত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱে ৰচনা কৰা বৰগীতসমূহ কেৱল ভক্তিমূলক গীতেই নহয়, ই হ'ল একোটা উচ্চ পৰ্যায়ৰ শাস্ত্ৰীয় সংগীত। ৰাগ-তাল আৰু তত্ত্বগধুৰ সাহিত্যৰ সংমিশ্ৰণে আত্মা শোধন কৰে। আনহাতে লোকগীতৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, কামৰূপী, গোৱালপৰীয়া আদি লোকগীতসমূহে অসমীয়া প্ৰকৃতি, মাটিৰ গোন্ধ আৰু থলুৱা মানুহৰ সহজ-সৰল আবেগৰ পৰিচয় দি আহিছে। তেনেদৰে, সত্ৰীয়া সংস্কৃতিক অসমীয়াৰ মহান পৰম্পৰা বুলিও তেওঁ উল্লেখ কৰে। এনে কৰ্মশালা অনুষ্ঠিত কৰি এই সম্পদসমূহৰ বিশুদ্ধতা, প্ৰজন্মৰ মাজত সেতু বন্ধন আৰু জ্ঞান আৰু অনুশীলনৰ বিষয়ে ধাৰণা দিব পাৰি বুলি তেওঁ কয়। গুৰুজনাৰ এই অমূল্য সৃষ্টিসমূহক জীয়াই ৰখাৰ দায়িত্ব নতুন প্ৰজন্মৰ বুলিও তেওঁ কয়।



মহাবিদ্যালয়ৰ মুকলি মঞ্চত ২০-২৪ জুলাইলৈ অনুষ্ঠিত হোৱা কৰ্মশালাত বিশিষ্ট সমাজকৰ্মী মৃদুল শৰ্মা, চন্দন কলিতা প্ৰমুখ্যে কৰি শতাধিক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অসম শিল্পীকাননৰ ৰীতামণি দাস, বৰষা ফুকনকে ধৰি বিষয়ববীয়াসকল উপস্থিত থাকে। কৰ্মশালাখনিৰ সামৰণীৰ পিছত অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰসমূহ বিতৰণ কৰা হয়।

## বৰবিহুৱা জীৱন ঘৰফলীয়া ৰোগাক্ৰান্ত

মৰাণ, ২৪ জুলাই ঃ খোৱাঙৰ ২ নং মাউটনী গাঁৱৰ বাসিন্দা 'বৰবিহুৱা', 'গণশিল্পী', অসমৰ বিভিন্ন স্থানত শিল্পীসন্মানপ্ৰাপক, নীৰৱ সাহিত্য সাধক, অনাতাঁৰ শিল্পী জীৱন ঘৰফলীয়া উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ থকাৰ বাতৰি পাই 'নতুন বলাই বিদ্যাৰেখা সংঘ' আৰু 'আলোকসন্ধানী অধ্যয়ন চক্ৰ'ৰ প্ৰতিনিধি দলৰ লগতে অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট সমাজকৰ্মী গকুল চন্দ্ৰ খাউণ্ড, খোৱাঙৰ বিশিষ্ট সমাজকৰ্মী মুনীন বড়া, অৱসৰী শিক্ষক, 'ইত্যাদি সাংস্কৃতিক গোষ্ঠী'ৰ সভাপতি ফণীধৰ বৰগোহাঁই, অনাতাঁৰ শিল্পী দুলেশ্বৰ ফুকন, খোৱাঙৰ বিশিষ্ট সমাজকৰ্মী